Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বৈকল্পিক)

পাঠ - ১৪

সুখ

প্ৰণীতা শৰ্মা বৰদলৈ



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কবি-পৰিচয়



আনন্দ চন্দ্ৰ আগৰৱালা (১৮৭৪-১৯৩৯)

জন্ম তেজপুৰত। তেওঁ পুলিচ বিভাগৰ ডাঙৰ বিষয়া আছিল। তেওঁ ছাত্রাৱস্থাৰপৰাই সাহিত্য-চর্চা কৰিছিল। আগৰৱালাই কেইবাটিও ইংৰাজী কবিতা অসমীয়ালৈ ভাষান্তৰ কৰে। সেই কাৰণে তেওঁক ভাঙনি কোঁৱৰ আখ্যা দিয়া হৈছে। তেওঁৰ ৰচিত পুথি-'কোমল পাঠ', 'আদি পাঠ', 'জিলিকনি' আদি। 'সুখ' কবিতাটো 'জিলিকনি'ৰ পৰা অনা হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সুখ

সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ;
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



দেখিও নেদেখা কিয় দিন-কণা,
সুখ যে হাততে আছে;
যিয়ে দিব পাৰে স্বাৰ্থ বলিদান,
সুখ ফুৰে পাছে পাছে।

অকল নিজৰ নিমিত্তে নহয়
আমাৰ জীৱন ভাই,
পৰৰ কাৰণে খাটিব পাৰিলে,
সংসাৰ সুখৰ ঠাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



আনন্দ পৰৰ অভাৱ পৰৰ দুখত,
হিয়া যদি পমি যায়,
নিজৰ পৰক আপোন কৰিব পাৰিলে
সংসাৰত দুখ নাই।

সামৰ্থ্য শক্তি-সামৰথ পৰৰ সুখত
বিলাব পাৰিলে ভাই,
পৰৰ কাৰণে কান্দিব জানিলে
কান্দোনতো সুখ পায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সকলো আপোন যত নৰ-নাৰী
কাকনো বুলিম পৰ?
ঈশ্বৰৰ পৰম পিতাৰ সকলো সন্তান
পৃথিৱী আমাৰ ঘৰ।

গাই-গোটো পেটে ভঁৰাল নহবা
লোকৰ দুখলৈ চোৱা,
মানুহৰ সেৱা মানুহৰ পূজা
পৱিত্ৰ বৰত লোৱা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



'মই' 'মোৰ' বুলি নাথাকিবা মজি
মোহৰ জালত পৰি,
'মই' 'মোৰ' ভাবে তললৈ বুৰাব
নাপাবা ৰক্ষাৰ তৰী।

সুখ দুখৰ মনেই কাৰণ
মনক ৰাখিবা থিত,
ভাগ্যত লভিবা পৰম-সন্তোষ,
সাধিবা লোকৰ হিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজেপতি বিন্ধে হুলে,
নিস্বাৰ্থৰ বাট, সেন্দুৰীয়া আলি,
সুগন্ধি কুসুম ফুলে।

যথাৰ্থ নিস্ৰাৰ্থ ধৰমী জীৱন
বিশ্বপ্ৰেম ভৰপূৰ,
বিশ্বৰ সকলো ভাই-ভনী তাৰ
সুখৰ নপৰে ওৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শব্দার্থ আৰু টোকা

দিনকণা : দিনতেই নেদেখা; দেখিলেও মন নকৰা।

সামৰথ : সামর্থ্য, যোগ্যতা।

তৰী : নাও, নৌকা।

পৰ : অন্য, আপোন নোহোৱা বা নিলগীয়া।

ওৰ : ওৰ, সমাপ্তি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যন্ত : যিমান।

পৰম-পিতা : ভগৱান, ঈশ্বৰ।

গাই গোটা পেটে ভঁৰাল : নিজৰ কাৰণেহে ভবা, স্বার্থপৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠবোধ

সুখ হৈছে মূলতঃ মন বা শৰীৰত অনুভূত হোৱা তৃপ্তিকৰ অৱস্থা; মানসিক বা শাৰীৰিক সন্তুষ্টি। সুখ বিচাৰি মানুহ ব্যাকুল হ'লেও প্ৰকৃত সুখ পাবলৈ হ'লে মানুহে স্বাৰ্থ ত্যাগ কৰিব পাৰিব লাগিব, আনৰ কাৰণে খাটিব লাগিব বা আনৰ দুখত দুখী হ'ব পাৰিব লাগিব। সকলোকে আপোন কৰি ল'ব পৰা গুণেও মানুহক সুখী কৰে। নিস্বাৰ্থ মানুহবোৰ সুখী হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যিয়ে নিস্বার্থ মনোভাৱেৰে এক সুন্দৰ জীৱন যাপন কৰে, সকলোৰে মাজত বিশ্বপ্রেমৰ বাণী বিলাই আদর্শ জীৱনৰ গৰাকী হয়- তেওঁৰ বাবে সুখৰ ওৰ নপৰে বুলিও কবিয়ে কৈছে।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



শুদ্ধ উত্তৰ বিচাৰি উলিওৱা ঃ

১। আনন্দ চন্দ্ৰ আগৰৱালাৰ পৰিচিত উপাধিঃ

ক) ভাঙনি কোঁৱৰ

খ) ৰূপ কোঁৱৰ

গ) ৰাজ কোঁৱৰ

ঘ) এটাও নহয়

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। সুখ-দুখৰ কাৰণ হৈছে ঃ

ক) শৰীৰ
খ) স্বাস্থ্য
✓ গ) মন
ঘ) এটাও নহয়

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। খালী ঠাই পূৰণ কৰা ঃ

ক) সুখ সুখ বুলি মানুহ বলিয়া নেদেখে সুখৰ মুখ।

খ) দেখিও নেদেখা কিয় দিনকণা সুখ যে হাতেও আছে।

Under CSR Support by ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৪। শব্দ অৰ্থ লিখা ঃ

সামৰথ, তৰী, পৰম-পিতা, গাট, গোটা

পেটে ভঁৰাল, দিন কণা

সামৰ্থ্য নাও ঈশ্বৰ স্বাৰ্থপৰ দিনতে নেদেখা